স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

□ ষষ্ঠদশ বছৰ □ সংখ্যা ১৮৫ □ মঙলবাৰ □ ২১ ভাদ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ৮ ছেপ্টেম্বৰ ২০২৬ চন □ VOL-16 □ NO-185 □ TUESDAY 8 SEPTEMBER 2026

MAX CEMENT
MAXIMUM KI GUARANTEE

ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৭ ছেপ্টেম্বৰ ঃ অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সৌজন্যত সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে বৰ্ষজোৰা শ্ৰদ্ধাঞ্জলিৰ সামৰণি অনুষ্ঠান ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি, মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান শুভাৰম্ভ কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সমাজকৰ্মী জ্যোতিপ্ৰসাদ কানৈয়ে সুধাকণ্ঠলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনাই বক্তব্য প্ৰদান কৰে। সভাত উপস্থিত থকা অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, আবৃত্তিকাৰ ৰিজুমণি শইকীয়া তামুলীয়ে আবৃত্তি পৰিষদৰ বিস্তৃত কাৰ্যসূচীৰ বৰ্ণনা কৰাৰ লগতে সুধাকণ্ঠকলৈ স্ব-

■ আবৃত্তি মহাৰণত পুৰস্কৃত প্ৰতিযোগীক সম্বৰ্ধনা ■

ৰচিত কবিতা 'সপ্তস্বৰৰ এটি স্বৰ' শীৰ্ষক কবিতা আবৃত্তিৰ জৰিয়তে উপস্থিত শ্ৰোতা-দৰ্শকক মুগ্ধ কৰে। ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি ক্ৰমে মৃণালী ভূঞা বৰদলৈয়ে সুধাকণ্ঠক লৈ শ্ৰদ্ধাঞ্জলি জনাই বক্তব্য ৰাখে। উপ-সভাপতি, আবৃত্তিকাৰ, অনাতাঁৰ ঘোষক হাছান ইকবাল আহমদে সুধাকণ্ঠক লৈ শ্ৰদ্ধাঞ্জলি জনাই ব্যক্তিগত সান্নিধ্য সোঁৱৰণ কৰি সুধাকণ্ঠক লৈ ৰচিত কবিতা আবৃত্তি কৰে। ডিব্ৰুগড় জিলা সমিতিৰ প্ৰাক্তন সম্পাদক, আবৃত্তিকাৰ, নাট্যকৰ্মী মৃদুল শৰ্মাই আবৃত্তিৰ ব্যায়কৰণিক দিশ সম্পৰ্কে গুৰুত্ব দিয়াৰ কথা ভাষণত উল্লেখ কৰে। এই অনুষ্ঠানতে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৰাজ্যিক ভিত্তিত একক কবিতা আবৃত্তি প্ৰতিযোগিতা আবৃত্তি মহাৰণত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা ডিব্ৰুগড় জিলাৰ চাৰিগৰাকী প্ৰতিযোগী ক্ৰমে চাবুৱাৰ স্পৃহা হাতীবৰুৱা, দুলীয়াজানৰ দেৱদৰ্শিনী দত্ত, অয়না সুমন কলিতা আৰু প্ৰৱাহিনী গগৈক সম্বৰ্ধনা জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ ছাত্ৰী ক্ৰমে ৰাজমী মৰাণে ড° ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে। ছাত্ৰী সুৰময়ী চেতিয়াই গীত, বিপ্লৱ বুঢ়াগোহাঁয়ে কবিতা পাঠ আৰু শিৱৰাম বসুমতাৰীৰ বাঁহী পৰিৱেশনে অনুষ্ঠানটোক জীপাল কৰি তোলে। সভাপতিৰ বক্তব্যত ড° শশীকান্ত শইকীয়াই কানৈ মহাবিদ্যালয়ত আবৃত্তি পৰিষদৰ শাখা গঠন কৰাৰ লগতে সোনকালেই এটি কৰ্মশালা অনুষ্ঠিত কৰাৰ পৰিকল্পনা অৱগত কৰে। ইতিবাচক চিন্তাৰে ভাষা-সাহিত্য-সংস্কৃতি চৰ্চা কৰি থাকিলেহে জাতি সুৰক্ষিত হৈ থাকিব বুলি ড° শশীকান্ত শইকীয়াই উল্লেখ কৰে। অনুষ্ঠানৰ আঁত ধৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ ডিব্ৰুগড় জিলাৰ সম্পাদক, কবি বৈদ্য ব্ৰাইট বুঢ়াগোহাঁয়ে।